তাৰিখঃ ছেপ্টেম্বৰ ১৯, ২০১৮

বিষয়ঃ কৃষি খণ্ডৰ সংকট আৰু ইয়াৰ সৈতে সম্পৰ্ক থকা সমস্যাৱলীৰ বিষয়ে আলোচনা কৰিবলৈ সংসদৰ বিশেষ যুটীয়া অধিৱেশন জৰুৰীভাৱে আহ্বান কৰাৰ অনুৰোধ

মাননীয় মহোদয়,

দেশৰ বৃহত্তৰ জনগণক গ্ৰাস কৰি পেলোৱা কৃষিক্ষেত্ৰৰ বৰ্দ্ধিত সংকটৰ বিষয়ে আমি উদ্বিগ্ন নাগৰিক হিচাপে আপোনাক অৱগত কৰিছো। ভূমিৰ পৰা বিচ্ছিন্ন হোৱা, উপাৰ্জনহীন হোৱা, কৰ্মহীন হোৱা আৰু উৎপাদনশীলতা বঢ়াবলৈ গ্ৰহণ কৰা পদক্ষেপৰ মাজতে কৃষিসংকট দুৰ কৰাৰ পদক্ষেপ সীমাবদ্ধ থাকিলে নহ'ব, কিয়নো আমি আমাৰ মানৱতাও যে হেৰুৱাই পেলাইছো, সেই দিশটোলৈ আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো।

গ্ৰামাঞ্চলৰ ধ্বংসলীলা আৰু কৃষকৰ ক্ৰমবৰ্দ্ধমান দুৰ্দশা প্ৰতিখন চৰকাৰেই প্ৰত্যক্ষ কৰিছে যদিও কৃষকৰ বেদনা হ্ৰাস কৰিবলৈ যৎসামান্য পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিগত ২০ বছৰত ৩০,০০০০ ৰো অধিক কৃষকৰ আত্মহননৰ ফলত নিদাৰুণ মৃত্যুক সাৱটি লোৱাকে ধৰি গভীৰতম ৰূপ ধাৰণ কৰা উদ্বাস্তু কৃষকৰ দুৰ্দশা প্ৰতিখন চৰকাৰে দেখি আহিছে। প্ৰায় ২০০ টা কৃষক সংগঠন আৰু দেশৰ কোটি কোটি কৃষক, শ্ৰমিক তথা কৃষি শ্ৰমিকককক প্ৰতিনিধিত্ব কৰা "নিখিল ভাৰত কিষান সংগ্ৰাম কমিটি" (এ আই কে এছ চি চি)য়ে কৃষকৰ জীৱন-জীৱিকাৰ সুৰক্ষাৰ বাবে সংগ্ৰাম কৰি আহিছে আৰু ২৮ৰ পৰা ৩০ নৱেম্বৰলৈ দিল্লীলৈ কৃষক মুক্তি পদযাত্ৰা (কিষান মুক্তি মাৰ্চ)ৰ আহ্বান জনাইছিল, আমি এই সংগঠনটোৱেই আপোনাক আবেদন জনাওঁ যে কৃষকৰ সমস্যা সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰিবলৈ সংসদৰ ২১ দিনীয়া বিশেষ যুটীয়া অধিবেশন কেৱল কৃষি সমস্যা আৰু ইয়াৰ সৈতে সাঙোৰ খাই থকা বিষয় সম্পৰ্কে আলোচনা-বিলোচনা হওক।

ভাৰত প্ৰজাতন্ত্ৰৰ ৰাষ্ট্ৰপতি তথা সাংবিধানিক মুৰব্বী হিচাপে সংসদৰ যুটীয়া অধিবেশনত দেশৰ ৭০ শতাংশ অসুৰক্ষিত নাগৰিকক গ্ৰাস কৰা সমস্যা সন্দৰ্ভত আলোচনা কৰিবলৈ আপোনাৰ হস্তক্ষেপ কামনা কৰিলো। কিছুদিনৰ আগতে পন্য আৰু সেৱা কৰ (জি এছ টি) সম্পৰ্কে আলোচনা কৰিবলৈ সংসদৰ যুটীয়া অধিবেশন মাজনিশা অনুষ্ঠিত কৰা হৈছিল। কোটি কোটি নাগৰিকৰ জীৱন বিপদসংকুল হৈ পৰা সমস্যাৰ বিষয়ে আলোচনা অনুষ্ঠিত কৰাৰ নায্যতা আছে আৰু সংসদৰ অবিভাজিত মনযোগ নিতান্ত গুৰুত্বপূৰ্ণ তথা কৃষি সমস্যাৰ দীৰ্ঘস্থায়ী সমাধানৰ বাবে সংসদ প্ৰতিশ্ৰুতিবদ্ধ হওক।

সৰ্বহাৰা কৃষক, শ্ৰমিক, অৰণ্যবাসী, মৎস্যজীৱি তথা সাক্ষৰ অভিযান আৰু গ্ৰামীন স্বাস্থ্য ৰক্ষা আঁচনিৰ অংগনৱাড়ী কৰ্মী, চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সামাজিক স্বাস্থ্যকৰ্মী, আৰু সহায়ক নাৰ্ছ-মিডৱাইফ কৰ্মীৰে অগনন প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ উপৰি আবেদন-নিবেদন জনোৱাৰ পিছতো কৃষি সংকটৰ প্ৰতি কোনো এখন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ব্যৰ্থ হোৱাৰ পিচত সংসদৰ যুটীয়া অধিবেশন এখন কেৱল কৃষকৰ সমস্যাৰ ওপৰত আহ্বান জনাবলৈ জনোৱা দাবীৰ প্ৰতি ৰাষ্ট্ৰপতি মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

স্বাস্থ্যৰক্ষা আৰু পৰিপুষ্টিৰ নিশ্চয়তাকে ধৰি ঋণৰ বোজা, লাভজনক মূল্য, ন্যায্য মজুৰী, নিয়োগ আৰু শিক্ষাৰ স্বাধীনতাৰ অবিৰত সংগ্ৰামক আপুনি নিশ্চয় স্বীকৃতি দিব। নিখিল ভাৰত কিষান সংগ্ৰাম সমন্বয় সমিতি (এ আই কে এছ চি চি)ৰ মাৰফৎ দুখন বিধেয়ক, যথাক্ৰমে- 'ঋণগ্ৰস্ততাৰ পৰা কৃষকৰ মুক্তি বিধেয়ক, ২০১৮' আৰু 'কৃষিজাত পণ্যৰ লাভজনক ন্যূনতম সমৰ্থিত মূল্যৰ নিশ্চয়তা বিধেয়ক, ২০১৮' ইতিমধ্যে সংসদত দাখিল কৰা হৈছে যদিও এই সন্দৰ্ভত আলোচনা হ'বলৈ বাকী আছে। দুয়োখন বিধেয়ক গ্ৰহণ কৰাটোও সংসদৰ যুটীয়া অধিবেশনৰ গুৰুত্বপূৰ্ণ অংশ হ'ব।

বৈষম্যহীনতাৰ প্ৰতি কঠোৰ প্ৰচেষ্টা চলোৱাৰ সংবিধানপ্ৰদত্ত নীতিৰ লগত সংগতি ৰাখি বিশেষ কৃষি অধিবেশনৰ দাবীৰ প্ৰতি আপোনাৰ নিঃচৰ্ত সমৰ্থন আশা কৰিলো। ভাৰতৰ গ্ৰামাঞ্চলক ধ্বংস কৰা গভীৰ কৃষি সংকটৰ বিষয়ে আলোচনা কৰিবলৈ বিশেষ যুটীয়া সংসদীয় অধিবেশনৰ বাবে জনোৱা দাবীৰ প্ৰতি সন্মতি প্ৰকাশে আমাৰ গণতন্ত্ৰৰ প্ৰতি সৰ্বোচ্চ অভিব্যক্তিৰূপে চিহ্নিত হ'ব আৰু আমাৰ সংবিধানৰ মূল্যবোধসমূহ উৰ্দ্ধত তুলি ধৰিবলৈ নিৰ্বাচিত কৰা প্ৰতিনিধিসকলৰ ওপৰত জনগণৰ আস্থা আৰু বিশ্বাস কটকটীয়া কৰিব।

আমি আপোনাক সোঁৱৰাই দিয়াৰ প্ৰয়োজন নাই যে গ্ৰাম্য ভাৰত পৃথিৱী গ্ৰহৰ আটাইতকৈ জটিল অংশ আৰু আমাৰ গ্ৰাম্য অঞ্চলক সংক্ৰমিত কৰা বৃহত্তৰ সমস্যাৱলীৰ প্ৰতি এই বিশেষ অধিবেশনে গভীৰ দৃষ্টি নিক্ষেপ কৰিব পাৰিব। কৃষকৰ আত্মহনন, অনাহাৰত শিশুৰ মৃত্যু, বৰ্দ্ধিত কৰ্মসংস্থাপনহীনতা, অনানুষ্ঠানিকতাৰ সম্প্ৰসাৰণ, ঋণগ্ৰস্ততাৰ সমস্যা, গো-নিৰ্ভৰ অৰ্থনীতিৰ অৱক্ষয় তথা সামগ্ৰিক ভাগ্য নিৰ্ভৰতাৰ ফলত কৃষিখণ্ড পতনৰ দিশে অগ্ৰসৰ হৈছে। ইয়াৰ ফলস্বৰূপে একালৰ গৌৰৱান্বিত শস্য উৎপাদনকাৰী এতিয়া গৃহভৃত্যৰ দৰে কামত নিয়োজিত হৈ শোষণৰ বলি হৈছে অথবা দিন মজুৰ হ'বলগা হৈছে। ২০১১ ৰ জনগণৰ তুলনাত ১৫ নিযুত কৃষক হ্ৰাস পাইছে। কৃষকৰ উদ্বাস্তু প্ৰব্ৰজনে ইয়াকে সূচাইছে যে গ্ৰাম্য ভাৰতৰ পৰাই কৃষি সংকটৰ উদগীৰণ ঘটিছে আৰু এই বিপজ্জনক পৰিস্থিতিয়ে খাদ্য নিৰাপত্তা আৰু সামুহিক খাদ্য সাৰ্বভৌমত্ব উভয় ক্ষেত্ৰতে ভাবুকিৰ সৃষ্টি কৰিছে।

ইয়াৰ উপৰি, কৃষি সংকটৰ বলি হোৱাসকলৰ দৃঢ় আকাংক্ষৰ মাজত নিহিত থকা সংসদৰ বিশেষ অধিবেশনৰ দাবী আপোনাৰ হস্তক্ষেপে নিশ্চিত কৰিব বুলি আশা কৰিলো। কৃষি বিপৰ্যয়ে চৰম দুৰ্দশাৰ মাজলৈ নিক্ষেপ কৰা সকলৰ বিষয়ে সংসদৰ মজিয়াৰ পৰা শুনাৰ সময় হৈছে। এই বিশেষ অধিবেশনে দেশবাসী আৰু জনপ্ৰতিনিধিসকলক সংসদৰ মজিয়াৰ পৰা কৃষি সংকটৰ বিষয়ে অৱগত কৰিবলৈ সক্ষম কৰি তুলিব আৰু লগতে বিধ্বংসী কৃষিনীতি, গ্ৰাম্য ঋণ আৰু সুলভ মূল্যৰ অভাৱ তথা পানী, স্বাস্থ্যসেৱা আৰু শিক্ষাৰ ব্যক্তিগতকৰণৰ ফলত সৃষ্টি হোৱা অসহনীয় হিংসাত্মক পৰিস্থিতিৰ ব্যাখ্যাও সংসদৰ মজিয়াৰ পৰা কৰিব পাৰিব। আনকি ২০০৬ত ৰাষ্ট্ৰীয় কৃষি আয়োগে আগবঢ়োৱা মৌলিকতাপূৰ্ণ অনুমোদনৱলীয়ে সামৰি লোৱা পদক্ষেপসমূহ আৰু মহিলা কৃষকৰ অধিকাৰ বিধেয়কখনো সঠিক দিশত আগবঢ়াই নিব পৰা যাব, কিয়নো এই পদক্ষেপসমূহ পূৰ্বে কেতিয়াও পৰ্যাপ্ত ৰূপত কাৰ্যকৰী কৰা নহ'ল।

সংসদৰ যুটীয়া অধিবেশনৰ আলোচনা নিশ্চিত কৰিবলৈ আৰু কৃষি অৰ্থনীতিক যিসকলৰ শ্ৰমে সবল কৰিছে, সেইসকল মহিলা কৃষকৰ ভূমিকা উৰ্দ্ধত তুলি ধৰাৰ ক্ষেত্ৰত আমি মহোদয়ৰ মধ্যস্থতা বিচাৰিছো, কিয়নো মহিলা কৃষকসকল বছৰ বছৰ ধৰি অস্বীকৃত হৈয়ে থাকি গৈছে। ভূমিহীন কৃষক, আধিয়াৰ কৃষক, কৃষি শ্ৰমিক, দলিত আৰু আদিবাসী কৃষক তথা কৃষি কৰ্মীৰ

লগত সম্পৰ্ক থকা ভিন ভিন কাৰ্যত জড়িত লোকসকলৰ দুখ-বেদনাকে ধৰি কৃষকৰ বৰ্দ্ধিত বিপৰ্যয়কৰ সকলো কথা কৃষি অধিবেশনত তুলি ধৰা, সকলো জনপ্ৰতিনিধিয়ে শুনা আৰু বাণীবদ্ধ কৰা উচিত।

২০১৮ ৰ মাৰ্চত প্ৰায় চল্লিশ হেজাৰ কৃষক আৰু শ্ৰমিকে মহাৰাষ্ট্ৰৰ নাচিকৰ পৰা কৃষকৰ 'লং মাৰ্চ' কৰি মুম্বাইত ৰাজ্যিক বিধানসভা আগুৰি ধৰাৰ পিচত তেঁওলোকৰ দাবীসমূহ তুলি ধৰা হৈছিল, জনপ্ৰতিনিধিসকলে গণতন্ত্ৰৰ ধ্বজাবাহকৰূপে কৃষকৰ সমস্যাৰ প্ৰতি চতুৰতাও প্ৰকাশ কৰিলে। নৱেম্বৰত নিখিল ভাৰত কিষান সমন্বয়ৰক্ষী সমিতিৰ দিল্লীত সংগঠিত কৰিবলৈ লোৱা কৃষকৰ লং মাৰ্চৰ লগত সংগতি ৰাখি সংবিধানৰ সৰ্বোচ্চ পদবীত অধিষ্ঠিত অভিভাৱক হিচাপে আপুনি দেশৰ গণতান্ত্ৰিক ব্যৱস্থাৰ লগত তেঁওলোকৰ সহযোগিতা নিশ্চিত কৰা কাৰ্য আদৰণীয়া তথা গুৰুত্বপূৰ্ণ মুঠৰ ওপৰত এই কৃষকে দেশবাসীক কেৱল জীয়াই ৰখাই নহয়, তেঁওলোকে গণতন্ত্ৰক জীয়াই ৰখাৰ প্ৰকৃত কাণ্ডাৰী।

সন্মান সহকাৰে

ভাৰতৰ সচেতন নাগৰিক মণ্ডলী (নিম্ন স্বাক্ষৰকাৰী)